**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-09-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১। সংঘাত আৰু বৈপৰিত্যই কোঙা কৰা সাম্প্ৰতিক বিশ্বত নতুন দিল্লীত অনুষ্ঠিত ব্ৰিক্‌ছ শীৰ্ষ সন্মিলন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে।

২। ডি আৰ ডি অ' আৰু উদ্যোগ ক্ষেত্ৰই অংশীদাৰিত্বৰে ভাৰতক প্ৰতিৰক্ষা উৎপাদনৰ গোলকীয় কেন্দ্ৰ কৰি গঢ়ি তুলিব পাৰে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। দেশৰ ৰাজহুৱা সম্প্ৰচাৰ সেৱা দূৰদৰ্শনৰ আজি ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছে।

৪। ইৰানে আৰোপ কৰা চৰ্তসমূহ পূৰণ নোহোৱা পৰ্যন্ত আমেৰিকাৰ লগত আলোচনাত অংশগ্ৰহণ কৰা নহয় বুলি দেশখনৰ এগৰাকী শীৰ্ষ সুৰক্ষা বিষয়াই প্ৰকাশ কৰিছে। ***আৰু***

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ আজি দ্বিতীয়খন খেল দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০

সংঘাত আৰু বৈপৰিত্যই কোঙা কৰা সাম্প্ৰতিক বিশ্বৰ প্ৰেক্ষাপটত নতুন দিল্লীত সফলতাৰে অনুষ্ঠিত ব্ৰিক্‌ছ শীৰ্ষ সন্মিলন অত্যন্ত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ষেত্ৰৰ গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদ- আই চি ডব্লিউ এৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশ লৈ দিয়া ভাষণত তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ ব্ৰিক্‌ছ শীৰ্ষ সন্মিলনৰ ঘোষণাপত্ৰ সৰ্বসন্মতভাৱে গৃহীত হোৱাটোক প্ৰশংসা কৰে। তেওঁ কয়, যে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত আই চি ডব্লিউ এ ইয়াৰ ধাৰাবাহিকতা প্ৰতিষ্ঠানগত গাঁথনি আৰু বৌদ্ধিক পৰম্পৰাৰে বিশেষভাৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

বাইট (ৰাধাকৃষ্ণণ)

অনুষ্ঠানত দিয়া ভাষণত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে কয়, যে ভাৰতে গ্ল'বেল ছাউথৰ ক্ষেত্ৰত দেখা দিয়া উদ্বেগজনক পৰিস্থিতিৰ লগতে বিভিন্নধৰণৰ গোলকীয় প্ৰত্যাহ্বানসমূহৰ দৃঢ়তাৰে সন্মুখীন হৈছে। দেশৰ স্বাৰ্থ ক্ৰমবৰ্ধমানভাৱে গোলকীয় প্ৰেক্ষাপটলৈ গতি কৰিছে আৰু দায়িত্ব বৃদ্ধি হোৱাৰ লগে লগে ভাৰতক লৈ প্ৰত্যাশাও বৃদ্ধি পাইছে। ডঃ জয়শংকৰে কয়, যে এখন দেশৰ গোলকীয় ক্ষেত্ৰত ভূমিকা শক্তিশালী হোৱাৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহত বৌদ্ধিক বিনিময়ো সমান্তৰালভাৱে হোৱা উচিত। তেওঁ কয়, যে বিকশিত ভাৰতে ইয়াৰ ইতিহাস, অভিজ্ঞতা, স্বাৰ্থ, ধাৰণা, পৰিভাষা আৰু দৃষ্টিভংগীসমূহক বিশ্বৰ সন্মুখলৈ লৈ অহা উচিত।

বাইট-জয়শংকৰ

উল্লেখযোগ্য যে ১৯৪৩ চনত দেশৰ একাংশ বুদ্ধিজীৱীয়ে বৌদ্ধিক বিকাশৰ থলী হিচাপে ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদ গঠন কৰিছিল। ১৮৬০ চনৰ সমিতি পঞ্জীয়ন আইনৰ অধীনত অনা-চৰকাৰী, অৰাজনৈতিক আৰু অলাভদায়ক প্ৰতিষ্ঠান হিচাপে ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল। ২০০১ চনত সংসদৰ বিধি অনুসৰি আই চি ডব্লিউ এক ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান হিচাপে ঘোষণা কৰা হৈছিল। দেশৰ উপ-ৰাষ্ট্ৰপতি এই প্ৰতিষ্ঠানৰ পদেন অধ্যক্ষৰ দায়িত্বত আছে।

০০০০

প্ৰতিৰক্ষা, গৱেষণা উন্নয়ন সংস্থা- ডি আৰ ডি অ' আৰু উদ্যোগ ক্ষেত্ৰই অংশীদাৰিত্বৰে ভাৰতক প্ৰতিৰক্ষা উৎপাদনৰ গোলকীয় কেন্দ্ৰ কৰি গঢ়ি তুলিব পাৰে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত ডি আৰ ডি অ' উদ্যোগ সমন্বয় সন্মিলন বিমৰ্ষ, ২০২৪-ত দিয়া ভাষণত শ্ৰী সিঙে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত কিছু বছৰত ক্ষেপনাস্ত্ৰৰ পৰা ৰাডাৰলৈকে যুদ্ধ বিমানৰ পৰা ছাবমেৰিনলৈকে, বৈদ্যুতিন যুদ্ধ আহিলা নিৰ্মাণৰ পৰা কৃত্ৰিম বুদ্ধিমত্তালৈকে প্ৰতিটো ক্ষেত্ৰতে ডি আৰ ডি অ'ই ইয়াৰ সামৰ্থ্য প্ৰতিপন্ন কৰিছে। সম্প্ৰতি প্ৰতিৰক্ষা ক্ষেত্ৰত গৱেষণাৰ বাবে ডি আৰ ডি অ' শীৰ্ষ সংস্থা হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰতিৰক্ষা খণ্ডত গৱেষণা আৰু বিকাশৰ বাবে কেৱল চৰকাৰ আৰু ডি আৰ ডি অ'ৰ প্ৰচেষ্টাই পৰ্যাপ্ত নহয়, এইক্ষেত্ৰত সমন্বিত প্ৰচেষ্টা তথা অংশীদাৰিত্বৰ প্ৰয়োজন আৰু এই বাৰ্তাটোৱে বিমৰ্ষ, ২০২৬-ৰ মূল বাৰ্তা হোৱা উচিত।

০০০০

পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ য়াদৱে দেশৰ দীৰ্ঘস্থায়ী উন্নয়নৰ স্বাৰ্থত চক্ৰীয় অৰ্থনীতিৰ নীতিসমূহৰ প্ৰতি দায়বদ্ধতাৰ বিষয়ে দোহাৰিছে। দেশত পূৰ্বৰে পৰা চলি অহা পুনৰব্যৱহাৰ, মেৰামতি আৰু সংৰক্ষণৰ সৈতে জড়িত সাংস্কৃতিক মূল্যবোধক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আধুনিক ৰূপ প্ৰদান কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। গুজৰাটৰ গান্ধীনগৰত আজি অনুষ্ঠিত বিশ্ব চক্ৰীয় অৰ্থনীতি মঞ্চ ডব্লিঅ' চি ই এফৰ দশম সংস্কৰণৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ লগতে কয় যে সম্প্ৰসাৰিত উৎপাদন দায়বদ্ধতাৰ লেখিয়া নিয়ন্ত্ৰণ ব্যৱস্থাই চক্ৰীয় অৰ্থনীতিৰ গতিপথত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

দেশত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই দুদিনীয়া সন্মিলন গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। **চক্ৰীয় অৰ্থনীতি ঃ জনসাধাৰণ আৰু সমৃদ্ধিৰ বাবে পৰিৱৰ্তন** - এই বিষয়বস্তুৰে অনুষ্ঠিত এইবাৰৰ সন্মিলনত ৬৫ খনতকৈ অধিক দেশৰ ২ হেজাৰতকৈও অধিক সংখ্যক ব্যক্তি আৰু প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়, কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, ফিনলেণ্ডৰ উদ্ভাৱনী নিধি **ছিত্ৰা** আৰু গুজৰাট চৰকাৰে যুটীয়াভাৱে এই সন্মিলনৰ আয়োজন কৰিছে।

০০০০

ইৰাণৰ এগৰাকী শীৰ্যস্থানীয় সুৰক্ষা বিষয়াই আজি কয় যে দেশখনে আৰোপ কৰা চৰ্তসমূহ পূৰণ নোহোৱা পৰ্যন্ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগত কোনো ধৰণৰ আলোচনাত অংশগ্ৰহণ কৰা নহয়। ইৰাণৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিব মহচেন ৰেজেইয়ে সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত এইকথা প্ৰকাশ কৰে। তেহৰাণে বুজাবুজিৰ চুক্তিত উপনীত হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে আৰু ৱাশ্বিংটনে এই প্ৰসংগত আলোচনা কৰিব বুলি

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কালি প্ৰকাশ কৰা মন্তব্য সন্দৰ্ভত ইৰাণৰ শীৰ্ষ বিষয়াগৰাকীয়ে এনেদৰে দেশখনৰ স্থিতি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে লেবাননকে ধৰি সকলো খণ্ডত যুদ্ধৰ অৱসান ঘটোৱাৰ সন্দৰ্ভত আমেৰিকা আৰু ইৰাণে চলিত বৰ্ষৰ ১৮ জুনত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছিল। এই চুক্তি অনুসৰি পৰৱৰ্তী ৬০ দিনৰ ভিতৰত উভয় পক্ষই আলোচনাত অংশগ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছিল। যোৱা ১৭ আগষ্টত চূড়ান্ত বুজাবুজিত উপনীত হোৱাৰ বাবে নিৰ্ধাৰণ কৰা এই সময়সীমা উকলি যায় যদিও উভয় দেশৰ মাজত শেহতীয়াকৈ আৰম্ভ হোৱা এলানি উত্তেজনামূলক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যুদ্ধৰ অৱসানৰ বিষয়টো এতিয়াও অনিশ্চিত হৈ আছে।

০০০০

দেশৰ ৰাজহুৱা সম্প্ৰচাৰ সেৱা দূৰদৰ্শনৰ আজি ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৫৯ চনত প্ৰতিষ্ঠা লাভ কৰা এই ৰাজহুৱা সম্প্ৰচাৰ সেৱাই প্ৰথমে অল ইণ্ডিয়া ৰেডিঅ'ৰ অধীনত পৰীক্ষামূলকভাৱে টেলিভিচন সেৱা আগবঢ়াইছিল। এটা দশকৰ পাছত তথ্য, সাংস্কৃতিক সংৰক্ষণ আৰু ৰাষ্ট্ৰীয় একতা আদিৰ ক্ষেত্ৰত উল্লেখযোগ্য মঞ্চ হৈ পৰা দূৰদৰ্শনৰ সেৱাই ছেটেলাইট আৰু ডি টি এইচ সেৱাৰ জৰিয়তে প্ৰায় ১০০ শতাংশ জনসাধাৰণক সামৰি ল'বলৈ সমৰ্থ হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সম্ৱতসৰী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে সম্ৱতসৰীয়ে প্ৰতিগৰাকী লোকক এইকথা সোঁৰৰাই দিয়ে যে, ক্ষমা আৰু কৰুণাই প্ৰতিটো সম্পৰ্ককে শক্তিশালী কৰি তোলে। এই পবিত্ৰ উৎসৱ উপলক্ষে বিনম্ৰতাই সকলোকে পথ প্ৰদৰ্শন কৰাৰ লগতে দয়া আৰু সদিচ্ছাই প্ৰতিটো কামক ফলপ্ৰসূ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০

মধ্য প্ৰদেশৰ মাণ্ডালাৰ কানহা ব্যাঘ্ৰ সংৰক্ষণ প্ৰকল্পৰ ছুপখাৰ সংমণ্ডলত আজিৰে পৰা ছদিনীয়াকৈ বাৰ্ষিক হস্তী শিবিৰ মুকলি কৰা হৈছে। এই শিবিৰৰ অহা ২০ ছেপ্তেম্বৰত সামৰণি পৰিব। শিবিৰৰ সময়ছোৱাত হাতীক পৰ্যাপ্ত পৰিমাণে বিশ্ৰাম দিয়াৰ ব্যৱস্থা কৰাৰ লগতে দৈনন্দিন পৰিশ্ৰমৰ পৰা ৰেহাই দিয়া হ'ব। তদুপৰি হাতীক গা-ধুওৱা, মালিচ দিয়াৰ লগতে পুষ্টিকৰ খাদ্যৰো যোগান ধৰা হ'ব। বন্যপ্ৰাণী চিকিৎসকলে হাতীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে তেজ আৰু প্ৰস্ৰাৱ-পায়খানাৰ নমুনা পৰীক্ষাৰ বাবে পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিব। কানহা হস্তী সংৰক্ষণ প্ৰকল্পত বৰ্তমানলৈ ১৬ টা হাতী আছে। ইয়াৰে ৯ টা মতা আৰু এটা সদ্যজাত আৰু ছজনী মাইকী হাতী আছে। এই হাতীসমূহক বন্যপ্ৰাণী সংৰক্ষণৰ সৈতে জড়িত কাম-কাজত ব্যৱহাৰ কৰা হয়। হাতীৰ মাউত আৰু গৰাকীসকলৰ প্ৰশিক্ষণেৰে এই শিবিৰৰ অন্ত পৰিব। জ্যেষ্ঠ আৰু অভিজ্ঞ মাউতসকলে হাতীৰ পৰিচৰ্যা সন্দৰ্ভত প্ৰশিক্ষণ দিব।

০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ আজি দ্বিতীয়খন খেল দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। দেওবাৰে অনুষ্ঠিত ৩ খনীয়া শৃংখলাটোৰ প্ৰথমখন খেলত ভাৰতে ৭ উইকেটত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰিছে। আফগানিস্তানে বান্ধি দিয়া ১৫৭ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে অভিষেক শৰ্মাৰ ৩২ টা বলত ৮২ ৰান আৰু

ইশান কিযাণৰ ৪২ ৰানৰ সহায়ত ১৩ অভাৰ ৪ টা বলতে ৩ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। শৃংখলাটোৰ তৃতীয়খন খেল পৰহিলৈ একেখন ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত